## অসম বিধান সভা
## ২০২৬ চনৰ ২২ জুলাইত উত্তৰ দিবলগীয়া
## মৌখিক প্ৰশ্ন নং – ১৭৮

**বিষয়ঃ মথাউৰি মেৰামতি কৰাৰ সম্পৰ্কত ।**

**শ্ৰী মানৱ ডেকা, বিধায়ক**

**माननीय জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

**-প্ৰশ্ন-**

চৰকাৰে অসমৰ বাবে কোনো নদী অৱবাহিকা ভিত্তিক (basin wise) অথবা জিলাভিত্তিক দীৰ্ঘম্যাদী বান আৰু খহনীয়া প্ৰশমনৰ কৌশল প্ৰস্তুত কৰিছে নেকি ? সবিশেষ জনাব ।

**माननीय জলসম্পদ বিভাগৰ মন্ত্ৰী শ্ৰীযুত সুশান্ত বৰগোহাঁই দেৱে উত্তৰ দিবঃ**

**–উত্তৰ–**

হয়, অসম চৰকাৰে বিভিন্ন কেন্দ্ৰীয় সংস্থা আৰু আন্তঃৰাষ্ট্ৰীয় বিত্তীয় প্ৰতিষ্ঠানৰ (যেনে বিশ্ব বেংক আৰু এছিয়ান ডেভেলপমেণ্ট বেংক) সহযোগত অসমৰ বান আৰু খহনীয়া প্ৰশমনৰ বাবে নদী অৱবাহিকা ভিত্তিক (Basin-wise) আৰু জিলা ভিত্তিক কেইবাখনো গুৰুত্বপূৰ্ণ দীৰ্ঘম্যাদী প্ৰকল্প হাতত লৈছে।

- **World Bank:** বিশ্ববেংকৰ ১৩৫ মিলিয়ন ডলাৰ (প্ৰায় ১১০৫ কোটি টকা) ঋণেৰে Assam Integrated River Basin Mangement Programme (AIRBMP) Phase-I আঁচনিৰ অধীনত ব্ৰহ্মপুত্ৰৰ দুখন উপনৈ বুঢ়ীদিহিং আৰু বেকী নদী অৱবাহিকাক সামৰি বৈজ্ঞানিক পদ্ধতিৰে বান তথা খহনীয়া প্ৰতিৰোধী কাম চলাই থকা হৈছে।

  AIRBMP, Phase-II ৰ অধীনত কলং-কপিলী-কিলিং, দিচাং-দিখৌ, আই-মানস আৰু পুথিমাৰী ইত্যাদি গুৰুত্বপূৰ্ণ উপনৈ সমূহকো অৱবাহিকা ভিত্তিক পৰিকল্পনাৰ অধীনলৈ অনাৰ প্ৰক্ৰিয়া চলি আছে।

- **ADB:** ADBৰ ২৫৫ মিলিয়ন ডলাৰ (প্ৰায় ২০৯৮ কোটি টকা) ঋণসাহায্যেৰে Climate Resilient Brahmaputra Integrated Flood and Riverbank Erosion Risk Management Project (CRBIFRERMP) ৰ অধীনত ব্ৰহ্মপুত্ৰ নদীৰ পাৰত প্ৰথম পৰ্যায়ত ডিব্ৰুগড়-তিনিচুকীয়া

*Contd..p/2*

(Zone-A), মৰিগাঁও (Zone-B), কামৰূপ গ্ৰাম্য (Zone-C) আৰু গোৱালপাৰা (Zone-D)ত গৰাখহনীয়া প্ৰতিৰোধৰ কাম হাতত লোৱা হৈছে আৰু এই কাম পুৰ্ণগতিত চলি আছে।

ইয়াৰে Phase-II ৰ অধীনত ২৩২ মিলিয়ন ডলাৰ (প্ৰায় ২০৮৫ কোটি টকা) ঋণেৰে অন্য ১২টা জলসম্পদ সংমণ্ডলৰ কামৰ নিবিদা অন্তিম পৰ্য্যায়ত আছে।

ইয়াৰ উপৰিও বহুতো Soft Components আৰু Nature Based Solution ৰ ব্যৱহাৰে বান আৰু খহনীয়াৰ দীৰ্ঘম্যাদী প্ৰশমনৰ দিশে আগবঢ়াৰ লগতে Flood Forecasting and Early Warning System কো অগ্ৰাধিকাৰ দিয়া হৈছে।

**(উক্ত প্ৰশ্নৰ সৈতে কোনো পৰিশিষ্ট অনলাইন যোগে দাখিল কৰিবলগা নাই আৰু উত্তৰসমূহ অনলাইন যোগে NeVA পৰ্টেলত দাখিল কৰা হৈছে)**

***************